# বিহুগীতত অসমীয়া সমাজ জীৱনৰ প্ৰতিফলন

**ড° প্ৰাণজিৎ বৰুৱা**

**সাৰাংশ ঃ** অসমৰ জাতীয় উৎসৱ বিহু অসমীয়া লোকসংস্কৃতি আৰু লোকসমাজৰ অনুপম সম্পদ। কৃষিজীৱী চহা অসমীয়াৰ প্ৰাণৰ স্পন্দনেৰে স্পন্দিত বিহুগীতসমূহৰ মাজেৰে স্বভাৱ কবিয়ে চকুৰ সন্মুখত দেখা সমাজখন, প্ৰকৃতি জগতখন আৰু জীৱনৰ বিচিত্ৰ অভিজ্ঞতাসমূহক বিচিত্ৰৰূপত প্ৰকাশ কৰিছে। বিহুগীতসমূহক ঘাইকৈ তিনিটা ভাগত ভাগ কৰিব পাৰি— বিহুনাম, বনঘোষা আৰু হুঁচৰি গীত। এই তিনিওবিধ গীতৰ মাজতে অসমীয়া লোকসমাজৰ অনেক দিশ, অনেক ৰূপৰ প্ৰকাশ ঘটিছে। অসমীয়া লোকসমাজৰ ৰুচি-অভিৰুচি, বিশ্বাস, পৰম্পৰা, ধৰ্মীয় চেতনা, বৃত্তি, সাজপাৰ, আয়-অলংকাৰ, সৌন্দৰ্যবোধ,খাদ্যাভাস, অৰ্থনৈতিক অৱস্থা, প্ৰকৃতিৰ লগত সম্পৰ্ক , শিল্প চেতনা আদি বিবিধ দিশৰ প্ৰকাশে বিহুগীতসমূহক সমৃদ্ধ কৰিছে। সময়ে সময়ে অসমীয়া সমাজ জীৱনলৈ অহা পৰিৱৰ্তনসমূহকো স্বভাৱ কবিয়ে বিহুগীতত ধৰি ৰাখিছে। এনেবোৰ দিশ পৰ্যৱেক্ষণ কৰিলে বিহুগীতসমূহৰ সমাজতাত্ত্বিক অধ্যয়নৰ গুৰুত্ব আৰু প্ৰাসংগিকতা অনুভৱ কৰা যায়।

এই আলোচনাত বিহুগীতত প্ৰতিফলিত অসমীয়া সমাজ জীৱনৰ বিবিধ দিশসমূহ পৰ্যৱেক্ষণ কৰি তাৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ যত্ন কৰা হৈছে।

**বীজ শব্দ:** বিহুগীত, অসমীয়া, লোকসমাজ, লোকশিল্প, লোকবিশ্বাস, লোকজীৱন ইত্যাদি।

**১.০০ ঃ প্ৰস্তাৱনা**

বিহু অসমীয়াৰ জাতীয় উৎসৱ; অসমীয়া লোকসাহিত্যৰ অনুপম সম্পদ। অসমীয়াৰ প্ৰাণৰ স্পন্দনেৰে

---

*লেখক সহযোগী অধ্যাপক, অসমীয়া বিভাগ, দিখৌমুখ মহাবিদ্যালয়, মগ্‌লৌ, শিৱসাগৰ*
*মেইল ঃ drpranjit1970@gmail.com*

স্পন্দিত এই বিহুগীতৰ মাজেৰে বিহুৱা স্বভাৱ কবিয়ে চকুৰ সন্মুখত দেখা সমাজখন, বিনন্দীয়া প্ৰকৃতিখন আৰু জীৱনৰ সঞ্চিত অভিজ্ঞতাসমূহক আধাৰ ৰূপে লৈ স্বতঃস্ফূৰ্তভাৱে প্ৰকাশ কৰি যায় হৃদয়ৰ অকৃত্ৰিম আৱেগ-অনুভূতি, আশা-আকাঙ্খা,প্ৰেম-প্ৰীতিৰ ৰাগ-অনুৰাগ, বিৰহ বেদনা ইত্যাদি। বিহুগীতসমূহক ঘাইকৈ তিনি ভাগত বিভক্ত কৰিব পাৰি- বিহুনাম, বনঘোষা বা প্ৰণয়াত্মক গীত আৰু হুচৰিৰ নাম। এই তিনিওবিধ বিহুনামৰ মাজতে উজলি আছে অসমীয়া লোকসমাজখনৰ অনেক দিশ, অনেক ৰূপ। এই সমাজখন প্ৰকৃতি নিৰ্ভৰ কৃষিজীৱী নৈপৰীয়া গ্ৰাম্য সমাজ; কৰ্মব্যস্ত সমাজ। বিহুগীতসমূহৰ মাজেৰে যৌৱনমুগ্ধ ডেকা-গাভৰুৰ যৌৱনৰ কামনা বাসনাৰ উদ্দাম প্ৰকাশ ঘটিছে যদিও তাৰ মাজতো আছে আধ্যাত্মিক চিন্তাৰ গভীৰতা, মান্যজনৰ প্ৰতি সম্ভ্ৰম-সন্মান। অসমীয়া লোক সমাজৰ ৰুচি-অভিৰুচি,বিশ্বাস-পৰম্পৰা, ধৰ্মীয় চেতনা, কৃষি, ব্যৱসায়, ঘৰ-বাৰী, খাদ্যাভ্যাস, সাজপাৰ, আয়-অলংকাৰ, সৌন্দৰ্যচেতনা, নাৰী-পুৰুষৰ সামাজিক স্থিতি ইত্যাদি সমাজ জীৱনৰ বিভিন্ন দিশ চহা কবিয়ে স্বতঃস্ফূৰ্তভাৱে বিহুগীতৰ মাজেৰে প্ৰকাশ কৰিছে। অকৌ পৰিৱৰ্ত্তিত পৰিৱেশ পৰিস্থিতি তথা সময়ে অসমীয়া সমাজজীৱনলৈ অনা পৰিবৰ্ত্তনসমূহকো বিহু গীতে সুন্দৰৰূপে ধৰি ৰাখিছে। সেয়ে সমাজতাত্ত্বিক দিশৰপৰা বিহুগীতসমূহৰ ব্যাপক গুৰুত্ব অনুভূত হয়।

**১.০১ অধ্যয়নৰ গুৰুত্ব আৰু উদ্দেশ্য**

অসমীয়া লোকসাহিত্যৰ অনুপম সম্পদ বিহুগীতসমূহ অসমীয়া গ্ৰাম্যসমাজৰ দলিল স্বৰূপ। অসমৰ কৃষিজীৱী গ্ৰাম্য সমাজখনৰ বিভিন্ন দিশ এই গীতসমূহৰ মাজেৰে প্ৰাণস্পৰ্শী ৰূপত প্ৰকাশ পাইছে। এই গীতসমূহৰ পৰ্যবেক্ষনে অসমৰ গ্ৰাম্য সমাজৰ স্বৰূপ উপলব্ধি কৰাত সহায় কৰে। সময়ৰ পৰিবৰ্ত্তনে সমাজ জীৱনলৈও পৰিৱৰ্ত্তন আনে। এই পৰিৱৰ্ত্তনৰ ছবিখনো বিহুগীতসমূহে ধৰি ৰাখিছে। এই অধ্যয়নত বিহুগীতসমূহত কিদৰে অসমৰ কৃষিজীৱী গ্ৰাম্য সমাজখনৰ ছবিখন পৰিস্ফুট হৈছে তাক অৱলোকন কৰা হ'ব।

**১.০২ অধ্যয়নৰ পদ্ধতি আৰু উৎস**

আলোচনাপত্ৰখন প্ৰস্তুত কৰোতে বিশ্লেষণাত্মক আৰু সমীক্ষাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। বিহুগীত সমূহৰ ক্ষেত্ৰত দুৰ্লভ বুঢ়াগোহাঁঞিৰ 'ধনকলীয়া' গ্ৰন্থখনক মূল উৎ স ৰূপে গ্ৰহণ কৰা হৈছে।

**২.০০ ঃ বিহুগীতত সমাজজীৱন**

**বিহুগীত আৰু কৃষিজীৱী সমাজ**

বিহুগীতত প্ৰকাশ পোৱা সমাজখন কৃষিজীৱী সমাজ। দৰাচলতে বসন্ত উৎসৱ বিহু কৃষিভিত্তিক উৎসৱ। কৃষিৰ লগত জড়িত অনেক বিশ্বাস পৰম্পৰা বিহুৰ লগত সংপৃক্ত হৈ আছে। বিহুগীতত থকা যৌনতা, প্ৰেম-প্ৰণয়ৰ মিলনৰ উন্মুক্ত প্ৰকাশৰ মাজতো আছে লোকসমাজৰ আদিম বিশ্বাস। "আদিম খেতিয়কৰ এটা ধাৰণা আছিল, যৌন-প্ৰবৃত্তিমূলক গীত গালে পৃথিৱীৰ গাতে যৌন-উত্তেজনাই দেখা দিব আৰু শস্যসম্ভৱা হৈ উঠিব, সেয়েহে ৰাতি-বিহুৰ গীতবোৰ স্বাভাৱিকতে যৌনোদ্দীপক।" আদিম কৃষিজীৱী সমাজে এই সত্যৰ সন্ধান পাইছিল প্ৰকৃতিৰ পৰা। বসন্তৰ পৰশত উন্মনা হোৱা প্ৰাকৃতিক পৰিৱেশৰ লগত সুৰ মিলাই হিয়া উদঙাই আনন্দ প্ৰকাশ কৰিছিল আৰু ডেকা-গাভৰুৰ ঢোল পেঁপা-গগণাৰ মাতত, নাচোনৰ

গিৰিপনিত, গীতৰ ছন্দত পৃথিৱী শস্যসম্ভৰা হৈছিল, পথাৰত সোণগুটি গজিছিল, খেতিয়কৰ ভঁৰাল ভৰিছিল।

বিহুগীতত কৃষিকৰ্মৰ সুন্দৰ বিবৰণ আছে। অসমীয়া কৃষকৰ ঘাই খেতি হৈছে ধান। ধান খেতিৰ লগত জড়িত হালবোৱা, কোৰমৰা, ভূঁই ৰোৱা, ধান দোৱা, মৰণা মৰা ইত্যাদি অনেক দিশ বিহু গীতত উজলি উঠিছে। কৃষক ডেকা- গাভৰুৱে পথাৰখনক লৈয়ে ঘৰ বন্ধাৰ সপোন দেখে। সেয়ে বিহুৱা ডেকাই মনৰ মানুহজনীক গীতেৰে কৈছে —

বাগিচাৰ চাকৰি নকৰোঁ লাহৰী
নালাগে তলবৰ ধন।
ময়ে হালে বাম তয়ে ভূঁয়ে ৰুবি
সেয়ে হ'ব জীৱনৰ ধন।।

আকৌ কৃষক ডেকাটোক গাভৰুজনীয়ে কৈছে, —

আহু ধানৰ মৰণা পেলাইদে বহনা
জোকাৰি পেলাই দে খেৰ,
মাৰে জানিব বাপেৰে জানিব
মোৰলৈ চেনেহ বেথা এৰ।

নাঙল যুৱলি গৰুৰ পাছে পাছে পথাৰলৈ যোৱা ডেকা, ভুঁই ৰুবলৈ ওলাই যোৱা গাভৰুৰ চিনাকি ছবিখন বিহুগীতত এনেদৰে প্ৰকাশ পাইছে —

দদাইদেউ ঐ
সাঁচৰে হাচতি নাঙল যুৱলি
বুঢ়া গৰু যাওঁ খেদি হেই।
ৰঙিলী পমিলী
যায় বাটে বুলি ন-ভূঁই ৰুবলৈ বুলি হেই।

"দ পথাৰৰ লেহুকা নৰা", "ভঁৰালৰ গাধৈত নাঙল যুৱলি", "আহু তলে গ'লে শালি তলে গ'লে কেকোৰা গাঁতৰে পানী", "চৰায়ে খাব ধান সমনীয়া উফৰি পৰিব কণ", "কঠীয়া তলীতে পানী চলু চলু জাকৈ খেৰে চেৰেক বাঁও" ইত্যাদি ধানখেতিৰ অনেক প্ৰসঙ্গৰে বিহুগীতসমূহ উজ্জীৱিত হৈ আছে।

ধানখেতিৰ উপৰিও কৃষিজীৱী লোকসমাজখনত কুঁহিয়াৰ, সৰিয়হ, বতৰৰ বিবিধ শাক-পাচলি, মুগা ইত্যাদি বিভিন্ন ধৰণৰ খেতি কৰা হয়। বিহুৱা ডেকা-গাভৰুৱে তেওঁলোকৰ হিয়াৰ বতৰা দিবলৈ যাওতে এইবোৰৰ পৰাও বিবিধ সমল গ্ৰহণ কৰিছে।

বিহুগীতত শাকনি বাৰীৰ বৰ্ণনা আছে এনেদৰে —

লাই মাজে মাজে লফা ৰুই গ'লো

তাৰ মাজত খুতৰা শাক ,

মূৰৰ চুলি চিঙি আশীৰ্বাদ কৰিছোঁ

সদৌটি কুশলে থাক।

সৰিয়হ ফুলা, সৰিয়হ তলীত মোৰা পোক লগা আদিৰ বৰ্ণনা দি বিহুৱা ডেকাই গাইছে —

মাজুলী চাপৰিত সৰিয়হ ফুলিলে

মোৰা পোকে বেৰি বেৰি খায়।

লাউ, কোমোৰা, বেঙেনা, উৰহী, জালুক জলকীয়া, কল, তামোল-পাণ আদিৰ অসংখ্য উল্লেখ বিহুগীতত পোৱা যায়। হেঁদালিত লাউ বগোৱা, গছত পাণ বগোৱা,বাৰীৰ ঢাপত উৰহী লগা আদি অসমৰ গ্ৰাম্য সমাজৰ চিনাকি ছবিখন বিহুগীতত স্বকীয় বৈশিষ্ট্যৰে জিলিকি আছে।

তাৰে দুটামান উদাহৰণ —

ক) চালত মলঙিলে চালদৈ কোমোৰা

টেকেলিত মলঙিলে গুৰ।

খ) নগা জলকীয়াৰ কাক সমনীয়া

নগা জলকীয়াৰ কাক।

গ) বাৰীৰ ঢাপৰে কজলা উৰহী

পাতে তিৰ বিৰ কৰে।

ঘ) নৈ কাষৰীয়া ঐ মাটি তাকৰিয়া

. বেঙেনাৰ ঢপলা পাত।

ঙ) মদাৰত বগালে জাতিকৈ পাণ

এই ঘৰৰ মানুহটোৰ মনটো টান।

চ) বাৰীতে জাহাজী কলে ৰুয়ে গ'লো

মেলিলে আঁঠিয়াই ঠোক।

**বিহুগীতত বয়ন শিল্প**

পাট, মুগা, এৰি কাপোৰ অসমৰ জাতীয় জীৱনৰ সম্পদ। অসমীয়া শিপিনী বোৱা এই কাপোৰে বৰ্তমান আৰ্ন্তজাতিক বজাৰ এখন লাভ কৰিবলৈ সক্ষম হৈছে। বিহুগীতত অসমীয়া শিপিনীৰ তাঁতশালৰ অনেক বৰ্ণনা আছে। ঠিক সেইদৰে বিহুৱা ডেকাই কৰা পাটমুগাৰ খেতিৰ কথাও আছে। যেনে- "হাবি ভাঙি মোকলাও মুগাকৈ চুমনি দেহা ভাঙি কৰি যাওঁ খেতি", "মুগাৰে চোঙতে মুগা মেলিছিলো ধেনু জোৰ বাটোতা নাই", "এড়ি পুহিবলৈ এড়ানি নাই মুগা পুহিবলৈ চোম" ইত্যাদি। কোনো কোনো গীতত কাপোৰ বোৱাৰ সমগ্ৰ প্ৰক্ৰিয়াটোৰ উল্লেখ আছে। এনে গীতত অসমীয়াৰ তাঁতশালখন জীৱন্ত হৈ উঠিছে। তেনে এটি গীত হৈছে —

কাপোৰৰ টোপোলা বান্ধো মুগাৰ খোলা
সিজায় যাওঁ কেৰাহিত ঢালি;
আহেঁ পিচলিব মুগাৰ বাঁহ সিজিব
তাতে দিও বিহ মইনাৰ গুটি
সৰু চেনাইটি- সাজি দিবা দুৰপটি
উঘা লেটা চেৰেকী
বৈ দিম মই খনীয়া
বৈ দিম মই এড়ীয়া
গাতে লৈ বিহুলৈ যাবা।

বিহুগীতত উদ্ভাসিত কৃষিজীৱী সমাজখনৰ ব্যস্ততাৰ অন্ত নাই। ইয়াৰ ডেকা-গাভৰু, বৃদ্ধ সকলো কৰ্ম ব্যস্ত। কৃষিকৰ্মৰ উপৰিও তেওঁলোকৰ অনে কাম। শৈশৱৰে পৰা কৰ্মৰ শিক্ষা দিয়া হয়। এই শিক্ষা জীৱনমুখী শিক্ষা। বিহু গীতত সেয়ে অসমীয়া ছোৱালীয়ে গাইছে — "সৰু হৈ আছিলো গৰু চৰাইছিলো ডাঙৰ হৈ লগালো তাঁত।"

**বিহুগীতত পশুপালন**

পশুপালন অসমীয়া গ্ৰাম্য সমাজৰ অবিচ্ছেদ্য অঙ্গ। গৰু, ছাগলী, ম'হ, হাঁহ, পাৰ, কুকুৰা, হাতী,ঘোৰা, কুকুৰ, মেকুৰী আদি অনেক জীৱ-জন্তু চৰাই-চিৰিকটিৰে অসমৰ প্ৰতিখন ঘৰ যেন ভৰি থাকে। এই জীৱ-জন্তুবোৰে কৃষিকৰ্মতেই হওঁক, অৰ্থনৈতিকভাৱেই হওঁক বা খাদ্য ৰূপেই হওঁক বিভিন্ন ধৰণেৰে মানুহৰ প্ৰয়োজন পূৰণ কৰি আহিছে। এই জীৱ-জন্তুবোৰ অসমৰ লোকসমাজৰ জীৱনযাত্ৰাৰ গুৰুত্বপূৰ্ণ অংগ। বিহু গীতত পশুপালনৰ সুন্দৰ ছবিএখন প্ৰকাশ পাইছে। গৰু চৰোৱা, ম'হ চৰোৱা, বনৰীয়া হাতী ধৰি পোহ মনোৱা, বনৰীয়া চৰাইক সজাত বন্দী কৰা আদি অনেক বৰ্ণনা বিহুগীতত পোৱা যায়। বিহুগীতত হাতী ধৰিবলৈ যোৱাৰ উল্লেখ আছে এনেদৰে —

চটাই পৰেৰত ধুঁৰলী-কুঁৰলী
কোনে ভাতে ৰান্ধি খায়,
মাক নাই মাউৰা তিৰী নাই বৰলা
হাতী ধৰিবলৈ যায়।

পশুপালনৰ সমান্তৰালভাৱে পশু চিকাৰৰ কথাও বিহুৱা ডেকাই কৈ গৈছে। জাল পাতি পহু চিকাৰ কৰা, চিটিকা পাতি, ধনু-কাঁড় মাৰি চৰাই চিকাৰ কৰা, জাল, জাকৈ, বৰশী, খোকা, চেপা আদিৰে মাছ মৰাক লৈ অনেক গীত আছে। যেনে- "চটাই পৰেৰতত পহুজাল পাতিলো চটাইতে গধুলি হ'ল", "চৰাইলৈ বুলি চিটিকা পাতিলো দ ৰিকালৈ বুলি জাঁজি", "সজাত বন্দী হ'ল সজাৰে মইনা শালত বন্দী হ'ল হাতী", "আলিটি কাটিলো চেপাটি পাতিলো, মাগুৰ মাছ এশালি পালো", "অ' ৰহেদৈ মাছে মাৰি আনাগৈ,

জাকৈ খালৈ লগত লৈ”, “বাঁহৰে আগতে কপৌ চৰাই হালি ধেনু নেমাৰিবা টানি” ইত্যাদি।

**বিহুগীতত বেপাৰ-বাণিজ্যৰ চিত্ৰণ ঃ**

অসমৰ গ্ৰাম্য সমাজখনৰ অৰ্থনৈতিক অৱস্থাৰ ছবি এখনো বিহুগীতত চিত্ৰিত হৈছে। অসমৰ গ্ৰাম্য অৰ্থনীতি ঘাইকৈ কৃষি নিৰ্ভৰ। সেয়ে হ'লেও ব্যৱসায় বাণিজ্যয়ো গ্ৰাম্য অৰ্থনীতিত কিছু ভুমিকা গ্ৰহণ কৰা দেখা যায়। পশুপালন জীৱিকাৰ অন্যতম উৎস। পশুধনৰ জৰিয়তে ব্যৱসায় বাণিজ্য কৰাৰো আভাস পোৱা যায়। বিহুৱা ডেকাই ঘৰৰ গৰু, ম'হ, ছাগলী বিক্ৰী কৰিছিল। শহুৰৰ ঘৰত 'শহুৰৰ জীয়েকৰ' কাৰণে গা-ধন দিবলৈ অনেক সময়ত ডেকাহঁতে বেপাৰ বণিজ কৰি ধন ঘটিব লগীয়া হৈছিল। বিহুগীতত তাৰ উল্লেখ আছে।যেনে —

ক) হালৰে বেচিম মই, কলাইক কপিলা, গোহালিৰ বেচিম মই গাই।
তেওঁ যদি ধনেৰে জোৰাব নোৱাৰো, বেচিম সমনীয়া ভাই।

খ) তোৰনো বাপেৰে ল'ব কেইকুৰি
ছাগলী বেচাৰে ধন।

অসমীয়া সমাজত অতীজৰেপৰা বেপাৰ বণিজৰ প্ৰচলন আছিল। মুদৈয়ে বেপাৰ কৰা,চান্দ সদাগৰে লঙ্কাৰ বণিজ কৰা, তেজিমলাৰ বাপেকে বণিজৰ কাৰণে নাও লৈ ওলাই যোৱা আদি অনেকলোককথা পোৱা যায়; যিবোৰৰ জৰিয়তে অসমৰ মানুহৰ বেহা বেপাৰৰ বিষয়ে জানিব পাৰি। বিহুৱা ডেকায়ো বিহুগীতত বেহা বেপাৰৰ কথা উল্লেখ কৰিছে। বেপাৰলৈ ওলোৱা মনৰ মানুহটোৰ পৰা আঁতৰত থাকিবলগীয়া হোৱাত মানুহজনীৰ বিৰহ কাতৰ অৱস্থা এটাও ইয়াৰ মাজত প্ৰকাশ পাইছে। এনেবোৰ গীতত বেপাৰৰ প্ৰতি অনীহাৰ ভাব এটাও ফুটি উঠিছে। যেনে —

ইয়ে বোলে বেপাৰী সিয়ে বোলে বেপাৰী
নেলাগে বেপাৰৰ ধন।
ঘৰতে থাকিবা ৰামায়ণ পঢ়িবা
শুনি থাকিবৰ মন।।

**বিহুগীতত ঘৰ-বাৰীৰ চিত্ৰ**

বিহুগীতত অসমৰ গাঁৱৰ ঘৰ এখনৰ সুন্দৰ ছবি এখন উজলি উঠিছে। চাৰিওপালে ঢাপ মাৰি জেওৰা দি বাৰী পতা, বাৰীত আম, কঠাল, লেটেকু, পনিয়ল অদি বিবিধ গছ ৰোৱা, পুখুৰীত মাছ পোহা, আগফাল পাছফালৰ বৃহৎ চোতালৰ সৈতে বৰঘৰ,ভঁৰাল ঘৰ, গোহালি ঘৰেৰে এখন সম্ভ্ৰান্ত ঘৰৰ সুন্দৰ ছবি বিহুগীতত অংকিত হৈছে। হুচৰিত সেয়ে গৃদস্থৰ ঘৰত জয়ধ্বনি দিওতে গায়-

গোহালিত গৰু -- হৈছে
পুখুৰীত মাছ -- হৈছে
ভঁৰালত ধান -- হৈছে

বাৰীত তামোল পাণ -- হৈছে
জয় গৃহস্থৰ জয়। ইত্যাদি

বিহুগীতত সম্ভ্ৰান্ত ঘৰ এখনৰ ছবি বিভিন্ন ধৰণেৰে প্ৰকাশ পাইছে- "দেউতাৰ বাৰী ঘৰ আমে জামে ভৰপূৰ কাষতে ঐ জেউৰা ঢাপ", "দেউতাৰ পদূলিত গোন্ধাইছে মাধুৰী কেতেকী মলে মলাই ঐ গোবিন্দাই ৰাম", "দেউতাৰ বৰঘৰ দেখাতে ভয়ঙ্কৰ শৰণ খেৰ মেলি চোৱা। চালে চকু ৰোৱা ন শ গাঁথনি সৰিয়হ পিছলি যোৱা" ইত্যাদি। ঘৰৰ সন্মুখত ফুলনি ৰুৱা, চোতালৰ সন্মুখত তুলসী পুলি ৰোৱা, তামোল-পাণ ৰোৱা ইত্যাদি ঘৰ এখনৰ অনেক কথা বিহুগীতৰ মাজত বিচাৰি পোৱা যায়।

ক) চোতালৰ আগৰে কলীয়া তুলসী
মেলে পশ্চিমলৈ ডাল

খ) অতিকৈ চেনেহৰ ফুলবাৰী পাতিলো
তাৰ মাজত খৰিকাজাই

গ) আগফালে এখনি পাছফালে এখনি
শিপিনীৰ দুখনি শাল

ঘ) বৰ ঘৰৰ পিৰালিত আসনত দেউতাই
আমাৰে বিহুখনি চাই।

**বিহুগীতত সাজপাৰ আ-অলংকাৰ**

অসমীয়া পুৰুষ মহিলাৰ সাজপাৰ অলংকাৰৰ বৈচিত্ৰ্য আৰু বৈবিধ্যৰ ধাৰণাও বিহুগীতৰ মাজেৰে পাব পাৰি। বিহুগীতসমূহত পুৰুষ মহিলাৰ পৰম্পৰাগত সাজপাৰ অলংকাৰৰ বিবৰণ আছে। সাম্প্ৰতিক সময়ত হেৰাইযোৱা বা দুষ্প্ৰাপ্য হৈ পৰা পৰম্পৰাগত অসমীয়া সাজপাৰ আৰু অলংকাৰ পৰিধানৰ অনেক বৰ্ণনা বিহুগীতত পোৱা যায়। অসমীয়া ডেকা-গাভৰু উভয়েই সৌন্দৰ্য সচেতন। বিহুগীতত এই দিশটো প্ৰকাশ কৰি পুৰুষ আৰু মহিলা দুয়োৰে সাজপাৰ অলংকাৰৰ কথা কোৱা হৈছে। বিহুগীতত মহিলাৰ সাজপাৰৰ ক্ষেত্ৰত সিঙ্খাপ বা কিঙ্খাপ, মুগা ৰিহা মেখেলা, জালিকটা ৰিহা, চিটিকি চেলেঙ, হাঁচতি আদি আৰু পুৰুষৰ সাজপাৰৰ ভিতৰত গোমচেঙৰ চোলা, গুণাকটা পাগুৰি, ধল পাতৰ চুৰিয়া, শেল দিয়া চুৰিয়া, ফুলাম চেলেঙ ইত্যাদিৰ উল্লেখ আছে। সাজপাৰৰ উল্লেখ থকা দুটিমান বিহুনাম —

ক) থুৰিয়াই পিন্ধিলে গোমচেঙৰ চোলাটি
মাজত বাখৰামি কৰা ।

খ) ৰাতি ৰাতি সুতলাহি
বহি কাটিছিলা
পানে কটা বুটা কৰা
গুটি ফুলৰ গামোছা

ছাঁতে লুকুৱা মুঠিতে শুকুৱাই
দয়া কবচ
মনৰ সাঁচত বৈ ঐ বিহুৱান
লৈ বিহু মাৰিবলৈ যাওঁ।

গ) ৰিহাতো পদুমৰ চকা
চাদৰত বাবৰি বুটা
ধনে কি যোৰাব বস্ত্রে কি ঢাকিব
বচনে এহেজাৰ টকা।

অলংকাৰৰ ভিতৰত কাণত নৰা জাংফাই, কেৰুমণি বাখৰ পতা, হাতীদাঁতৰ থুৰীয়া, ডিঙিত গলপতা, ঢোলবিৰি, বেণা, হাতত গামখাৰু, আঙুলিত আঙঠি আদি পিন্ধাৰ কথা বিহুগীতত উল্লেখ আছে। বিহুগীতত অসমীয়া অলংকাৰৰ বৰ্ণনা এনেধৰণৰ —

ক) গঢ়ায় দিম ঐ নাচনী
কাণৰ কেৰুমণি
গঢ়ায় দিম ঐ নাচনী
ডিঙৰ ডুগডুগি।

খ) গামখাৰু আনি দিম অ' কেচাসোণ
কেৰুমণি গঢ়ায় দিম।

গ) এতোলা সোণৰ বিৰি গঢ়াই দিয়া
বিহু মাৰিবলৈ যাওঁ।

ঘ) হাতীদাঁতৰ থুৰীয়া নেজে বাখৰ-পতা
কাণে লওঁ মূৰে লওঁ কৰে।

**বিহুগীতত খাদ্যসম্ভাৰ**

বিহুগীতত অসমীয়া খাদ্যসম্ভাৰৰো বিস্তৰ বিৰৰণ পোৱা যায়। বিহুৰে-সংক্ৰান্তিয়ে অসমীয়াৰ মাজত নানাধৰণৰ জলপান,লাৰু পিঠা খোৱা হয়। ইয়াৰ উপৰিও দৈনন্দিন খাদ্যসম্ভাৰো বিশিষ্ট ধৰণৰ। সাম্প্ৰতিক সময়ত আধুনিক খাদ্যসম্ভাৰে পৰম্পৰাগত খাদ্যসম্ভাৰক প্ৰায় নোহোৱা কৰি তুলিছে। পূৰ্বে বিহুৰ সময়ত ঢেঁকীৰ শব্দত আকাশ বতাহ মুখৰিত হৈ পৰিছিল। আখলৰ পৰা ভাহি আহিছিল পিঠাপনাৰ সুগন্ধ। বৰ্ত্তমান এই পৰিৱেশ বহুখিনি ম্লান পৰিছে। বিহুগীতত অসমীয়া খাদ্যসম্ভাৰৰ অনেক বৰ্ণনা আছে। পিঠাগুৰি সান্দহগুৰি কল গাখীৰেৰে খোৱা, হুৰুম, চিৰা, কৰায় ভজা, তিলপিঠা, ঘিলাপিঠা, হুতুলিপিঠা, চুঙাপিঠা, লুঠুৰি পিঠা আদি নানা ধৰণৰ পিঠা, পঁইতাভাত, কৰকৰা ভাত, মাগুৰি ধানৰ ভাত, মহলী ম'হৰ দৈ, তেতেলি টেঙা আদি বিবিধ খাদ্যৰ উল্লেখেৰে বিহুগীতে অসমীয়াৰ ভোজন বিলাসৰ ইংগিত দিছে।

ক)　ভাতৰ কাঁহী আগত লৈ　তোলৈ মনত পৰে
মাগুৰি ধানৰে ভাত।

খ)　হুৰুম সান্দহ চিৰা　কৰায় দুৰাভজা
টেকেলিত মলঙিল দৈ
তিলঘিলা হুতুলি　চুঙা পিঠা লুঠুৰি
কান্দো মই আগতে লৈ।

গ)　জহা চাউল চালিলো　মিছা মাছ বাচিলো....
তুমিয়ে ওলালে　ওলাম মই বহনা
পঁইতা-জকৰা খাই।

ঘ)　চকলা টেঙাটি　অকলে নাখাবা
আমাকো এচকল দিবা।

চ)　এটা বাটিত নহৰু　এটা বাটিত পনৰু
এটা বাটি ত খুতৰা শাক।

**বিহুগীতত বাদ্যযন্ত্ৰ**

বিহুগীতত উল্লেখথকা বাদ্যযন্ত্ৰসমূহে অসমৰ লোকবাদ্যৰ নিদৰ্শন দাঙি ধৰে। বিহুসংস্কৃতিত ব্যৱহৃত বিশেষ বাদ্য কেইটি হ'ল ঢোল, পেঁপা, গগণা, টকা, হুতুলি মুৰুলি, বাঁহী ইত্যাদি। এই বাদ্যসমূহ বিহুৱা ডেকাই নিজেই সাজি উলিয়াইছিল। বিহুনামত এনে বহু নাম আছে য'ত বিহুত ব্যৱহৃত বাদ্যযন্ত্ৰৰ বিষয়ো কোৱা হয়। এই গীতবোৰক বাদ্যমূলক গীত আখ্যা দিব পাৰি। এনেধৰণৰ গীতবোৰত বাদ্যসমূহৰ উৎপত্তি সম্পৰ্কীয় জনবিশ্বাস, নিৰ্মাণ কৌশল, বজোৱাৰ কৌশল আদিৰ উল্লেখ আছে। যেনে —

ক)　গোলোকৰ গুটিটি　নাৰদে সিঁচিলে
গজিলে পুলিটি চামৰ;
কৈলাশৰ মহাদেৱে　ঢোলৰ জনম দিলে
মাৰি যাওঁ বিহুৰে চাপৰ।

খ)　পেঁপাটি পেঁপাটি　ৰহেদৈ পেঁপাটি
কলিদৈ ম'হৰে শিং,
বিহুৱা চেঙেলী　বোলায় দিয়া আঙুলি
ৰৈ যক বিহুৰে চিন।

**বিহুগীতত খেল-ধেমালি, লোকবিশ্বাস, শ্ৰেণীবৈষম্য**

অসমৰ গ্ৰাম্যজীৱনক ধৰি ৰখা বিহুগীতৰ মাজত ৰংৰহইচ খেল-ধেমালিৰ বিৱৰণো আছে। গাঁৱলীয়া ছোৱালীয়ে ঘিলা খেলা, ডেকাই হাতত কাৰফাই ধেনু লৈ উমলি থকা ইত্যাদি অনেক খেলৰ উল্লেখেৰে

বিহুগীতসমূহে লোকজীৱনৰ খেল ধেমালিসমূহক ধৰি ৰাখিছে। ঠিক সেইদৰে ইয়াৰ মাজত লোকসমাজৰ ধৰ্মীয় বিশ্বাস, লোক বিশ্বাসৰ প্ৰতিফলনো ঘটিছে। বিশেষকৈ লোকসমাজৰ ভাগ্য বা নিয়তিৰ প্ৰতি থকা অগাধ বিশ্বাস বিহুনামত জিলিকি আছে। বিহুৱাই মনৰ মানুহজনীক সেয়ে কৈছে —

আছে যদি কপালত নাম লগাম কলেজত,
নাই যদি কপালত হাল বাম পথাৰত।

আকৌ সমাজত থকা ধনী-দুখীয়াৰ প্ৰভেদ, জাত-পাতৰ বিচাৰ আদি দিশসমূহো বিহুগীতৰ মাজেৰে পোহৰলৈ আহিছে। যেনে —

"তোলৈ চাওতে জপনা দেওতে
বিন্ধিলে অভয়া হুলে।
তোৰো মনে গ'লে মোৰো মনে গ'লে
কি কৰিব অজাতি কুলে।"

**বিহুগীতত পৰিবৰ্ত্তিত সমাজৰ চিত্ৰ**

লোকসাহিত্য গতিশীল। বিহু গীতো গতিশীল। গতিশীলতাই বিহুগীতক চিৰনতুন কৰি ৰাখিছে। সময়ৰ লগত খাপ খোৱাই চহা বিহুৱা ডেকাই বিহুগীতত মনৰ আৱেগ-অনুভূতি প্ৰকাশ কৰিছে। সময়ৰ পৰিৱৰ্ত্তনৰ লগে লগে সমাজ জীৱনলৈও পৰিৱৰ্ত্তন আহিছে। এই পৰিৱৰ্ত্তনসমূহ বিহুগীতত স্পষ্ট ৰূপত ধৰি ৰখা হৈছে। ইংৰাজসকলৰ আগমনে অসমীয়া সমাজ জীৱনলৈ অনেক পৰিৱৰ্ত্তন আনিছিল। শিক্ষাৰ প্ৰসাৰ ঘটিছিল। নতুন নতুন কৰ্মক্ষেত্ৰৰ সৃষ্টি হৈছিল। কৃষিজীৱী সমাজখনত শিক্ষাৰ গুৰুত্ব বাঢ়িছিল। বিহুগীতত শিক্ষাৰ প্ৰসাৰৰ দিশটো এনেকৈ প্ৰকট হৈছে —

এ বি চি ডি পঢ়িলা
মূৰত বেণী গাঁঠিলা,
কালি আইদেউ বিচনাত
কালৈ চিঠি লিখিলা?"

এই ধৰণৰ বিহুগীতে স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ ইংগিত দিয়ে। আকৌ শিক্ষাৰ প্ৰসাৰে কৃষিজীৱী সমাজখনত শিক্ষিত আৰু চাকৰিজীৱী এক শ্ৰেণী লোকৰ সৃষ্টি কৰে আৰু এই শ্ৰেণীৰ গুৰুত্ব আৰু প্ৰতিপত্তি বাঢ়িবলৈ ধৰে। চহা ডেকাই সেয়ে আক্ষেপ কৰি গাইছে- "হ'ব নোৱাৰিলো কেৰেণী হ'ব নোৱাৰিলো মহৰী, তোমাক কেনেকৈ পাম ঐ লাহৰী।" পূৰ্বতে কিন্তু বিহুৱা ডেকাই এনে আক্ষেপ কৰিব লগা নহৈছিল। বৃটিছৰ আগমনৰ প্ৰাৰম্ভিক সময়ছোৱাত খেতিয়ক ডেকাটোৰহে আদৰ আছিল। কোম্পানীৰ চাকৰিৰ প্ৰতি কোনোধৰণৰ আকৰ্ষণ নাছিল। সেয়ে সেই সময়ত বিহুৱা ডেকা আৰু বিহুৱতী গাভৰুৱে গাইছিল —

ক) বাগিচাৰ চাকৰি নকৰো লাহৰী
নেলাগে তলবৰ ধন।

খ)  সজাত বন্দী হ'ল  সজাৰে মইনা
শালত বন্দী হ'ল হাতী
চৰকাৰী কামতে  মোৰ ধন বন্দী হ'ল
নুপুৰায় কালিন্দী ৰাতি।

বিহুগীতত অসমীয়া সমাজ জীৱনক গভীৰভাৱে প্ৰভাৱিত কৰা অনেক ঐতিহাসিক ঘটনাৰ বৰ্ণনা আছে। চহা কবিয়ে প্ৰাণৰ উমেৰে এই ঐতিহাসিক ঘটনাৰাজিক জীপাল কৰি তুলিছে। আহোম যুগৰ বহু ঐতিহাসিক ঘটনাৰ আলমলৈ বিহুনাম ৰচনা কৰা হৈছে। ঠিক সেইদৰে বৃটিছৰ আগমন,পথৰুঘাটৰ ৰণ, মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা স্বাধীনতা আন্দোলন আৰু সেই অন্দোলনৰ প্ৰভাৱ, বীৰ ছহিদসকলৰ জীৱন কথা, ভাষা আন্দোলন, বিদেশী খেদা আন্দোলন ইত্যাদিক লৈ অনেক বিহু নাম চহা কবিয়ে ৰচি থৈ গৈছে। এই গীতবোৰৰ জৰিয়তে সমাজ জীৱনক আন্দোলিত কৰি থৈ যোৱা অনেক কথাৰ সম্ভেদ পোৱা যায়।

**৩.০০ সামৰণি**

অসমীয়া সংস্কৃতিৰ অমূল্য সম্পদ বিহুগীত অসমৰ জনজীৱনৰ অসমৰ সমাজ জীৱনৰ এখন স্বচ্ছ দাপোণ। বহু যুগৰ পৰা এই গীতবিলাকত অকৃত্ৰিমভাৱে স্বতঃস্ফূৰ্তভাৱে অসমৰ লোকজীৱনৰ অসমৰ লোকসমাজৰ অনেক দিশ সঞ্চিত হৈ আহিছে। দৰাচলতে এই গীত অসমীয়া জনজীৱনৰ ইতিহাস। সাম্প্ৰতিক সময়ত বিশ্বায়নৰ প্ৰভাৱত বিহুগীতে তাৰ স্বকীয় মৰ্যাদা আৰু গৰিমা হেৰুৱাবলৈ উপক্ৰম কৰাটো অত্যন্ত চিন্তনীয় বিষয়। সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে বিহুগীতৰ মাজলৈ নতুন বিষয়ৰ আগমন ঘটিছে। ই স্বাভাৱিক। কিন্তু নতুনৰ নামত যাতে বিহু বিকৃত নহয় তাৰ প্ৰতি গুৰুত্ব দিয়া উচিত আৰু লোকগীতৰ ঘাই শিপাডালৰ পৰা যাতে ই আঁতৰি নাহে তাৰ প্ৰতি লক্ষ্য ৰখা প্ৰয়োজন। অতি পৰিতাপৰ কথা যে পুৰণি বহু বিহু নাম বৰ্ত্তমান হেৰাই যাব ধৰিছে। এই নামবোৰৰ সু-সংৰক্ষণ বৰ প্ৰয়োজনীয়। পুৰণি বিহু নাম হেৰাই গ'লে অসমৰ জনজীৱনৰ বহু গুৰুত্বপূৰ্ণ দিশ হেৰাই যাব। ❒

**গ্ৰন্থপঞ্জী ঃ**

১) গগৈ, লীলা ঃ অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা, ষ্টুডেণ্টছ এম্পৰিয়াম, ডিব্ৰুগড়, তৃতীয় প্ৰকাশ, ১৯৮৭
২) গন্ধীয়া, জয়কান্ত ঃ হুঁচৰি, মুকলি বিহু আৰু বিহুনাচ, বনলতা, দ্বিতীয় প্ৰকাশ, ১৯৮৮
৩) ডেকা, নমিতা ঃ সাহিত্যৰ মধুকোষ, বনলতা, ডিব্ৰুগড়, ১৯৯৩
৪) নেওগ, মহেশ্বৰ ঃ অসমীয়া গীতি সাহিত্য, বাণীমন্দিৰ, গুৱাহাটী, ১৯৮৫
৫) বেজবৰা, নীৰাজনা মহন্ত ঃ লোকতত্ব জিজ্ঞাসা, বনলতা, ডিব্ৰুগড়, প্ৰথম সংস্কৰণ, এপ্ৰিল, ২০০৪
৬) বুঢ়াগোহাঞি, দুৰ্লভ ঃ ধনকলীয়া, ভট্টাচাৰ্য এজেঞ্চী, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, ২০০৫

xxx